**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 01-02-2026
**Time :** 0705 HRS.

ASSAMESE MORNING BULLETIN

## HEADLINES

**::::::::::::::::::::::::::::::::::::::::::::::::**

১।	বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমনে আজি লোকসভাত ২০২৬-২৭ বিত্তীয় বৰ্ষৰ কেন্দ্ৰীয় বাজেট উত্থাপন কৰিব।

২।	ভাৰত আৰু আৰব ৰাষ্ট্ৰসমূহে পশ্চিম এচিয়াত যুক্তিসংগত, সৰ্বাত্মক আৰু স্থায়ী শান্তিৰ প্ৰতি পুনৰ প্ৰতিশ্ৰুতিবদ্ধতা প্ৰকাশ কৰিছে।

৩।	দেশৰ বিভিন্ন অংশত আজি ৰবি দাস জয়ন্তী পালন কৰা হৈছে।

৪।	ভাৰতীয় উপকূলৰক্ষী বাহিনীয়ে আজি ইয়াৰ ৫০ সংখ্যক প্ৰতিষ্ঠা দিৱস উদযাপন কৰিছে।

*আৰু*

৫।	ভাৰতে যোৱা নিশা পাঁচখনীয়া টি-২০ ক্ৰিকেট শৃংখলাৰ অন্তিমখন খেলত নিউজিলেণ্ডক ৪৬ ৰানত পৰাস্ত কৰি ৪-১ ফলাফলেৰে শৃংখলা হস্তগত কৰে।

০০০০

বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমনে আজি লোকসভাত ২০২৬-২৭ বিত্তীয় বৰ্ষৰ কেন্দ্ৰীয় বাজেট উত্থাপন কৰিব। বাজেট উত্থাপন কৰাৰ পাছত ইয়াৰ প্ৰতিলিপি ৰাজ্যসভাত দাখিল কৰা হ'ব। শ্ৰীমতী সীতাৰমনে এইবাৰকে ধৰি একেৰাহে নৱম বাৰৰ বাবে বাজেট দাখিল কৰিব। সংসদত বাজেট ভাষণ সম্পূৰ্ণ হোৱাৰ পাছত বাজেট নথি মোবাইল এপ্ আৰু ৱেবছাইটত উপলভ্য হ'ব।

বাজেট দাখিলৰ পাছত শ্ৰীমতী সীতাৰমণে দেশৰ বিভিন্ন প্ৰান্তৰ প্ৰায় ৩০ গৰাকী শিক্ষাৰ্থীৰ সৈতে মত বিনিময় কৰিব।

উল্লেখযোগ্য যে বাজেট প্ৰস্তুতৰ পূৰ্বে কেন্দ্ৰীয় বিত্তমন্ত্ৰীগৰাকীয়ে অৰ্থনীতিবিদ, শ্ৰমিক সংঘ, শিক্ষা আৰু স্বাস্থ্য , বাণিজ্য আৰু সেৱা, উদ্যোগ, বিত্ত, মূলধনী বজাৰ, অতি ক্ষুদ্ৰ, ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগ খণ্ডৰ বিশেষজ্ঞ আৰু প্ৰতিনিধিকে ধৰি বিভিন্ন পক্ষৰ  সৈতে প্ৰাক বাজেট পৰামৰ্শ বৈঠকত মিলিত হৈছিল আৰু তেওঁলোকৰ দিহা-পৰামৰ্শ গ্ৰহণ কৰিছিল। কৃষি মন্ত্ৰী শিৱৰাজ সিং চৌহানেও কৃষি আৰু গ্ৰামোন্নয়নৰ সৈতে জড়িত বিভিন্ন বিষয় সম্পৰ্কে বিসদ প্ৰাক বাজেট আলোচনাত মিলিত হৈছিল আৰু বিত্ত মন্ত্ৰীৰ ওচৰত এই আলোচনাৰ জৰিয়তে লাভ কৰা দিহা-পৰামৰ্শৰ সংকলিত প্ৰতিবেদন দাখিল কৰিছিল।

০০০০

ভাৰত আৰু আৰব ৰাষ্ট্ৰসমূহে আন্তঃৰাষ্ট্ৰীয় আইন ৰাষ্ট্ৰসংঘৰ সংশ্লিষ্ট প্ৰস্তাৱ আৰু আৰব শান্তি উদ্যম অনুযায়ী পশ্চিম এচিয়াত যুক্তিসংগত, সৰ্বাত্মক আৰু স্থায়ী শান্তিৰ প্ৰতি পুনৰ প্ৰতিশ্ৰুতিবদ্ধতা প্ৰকাশ কৰিছে। বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ জয়শংকৰে আৰব ৰাষ্ট্ৰসমূহৰ বিদেশ মন্ত্ৰী আৰু আৰব লীগৰ মহাসচিবৰ সৈতে কালি নতুন দিল্লীত ভাৰত-আৰব বিদেশ মন্ত্ৰীসকলৰ দ্বিতীয়লানী বৈঠকত অংশগ্ৰহণ কৰে। বৈঠকত এখন সাৰ্বভৌম, স্বতন্ত্ৰ আৰু  ১৯৬৭ৰ সীমাৰ ভিত্তিত বিকাশক্ষম পেলেষ্টাইনৰ হকে আহ্বান কৰা

হয়। ইয়াৰ উপৰি ইজৰাইলৰ সৈতে শান্তি বৰ্তাই ৰাখিবলৈ দাবী জনোৱা হয়। দুয়ো পক্ষই পেলেষ্টাইনৰ জনসাধাৰণৰ বাবে অপৰিহায্য অধিকাৰৰো সমৰ্থন কৰে। ভাৰত-আৰবৰ বিদেশ মন্ত্ৰীসকলৰ বৈঠকৰ পাছত দিল্লী ঘোষণা পত্ৰত এই বুলি কোৱা হয় যে, দুয়ো পক্ষই ২০২৫ চনত অনুষ্ঠিত **শ্বৰ্ম অল শ্বেখ** শীৰ্ষ সন্মিলনৰ ফলাফলৰ প্ৰতি আদৰণী জনায়। এই সন্মিলনৰ ফলতে সংঘৰ্ষ বিৰতি চুক্তি সম্পন্ন হৈছে। ঘোষণা পত্ৰখনত লগতে লিবিয়াৰ পূৰ্ণ স্বামীত্ব আৰু নেতৃত্বৰ বিষয়ে গুৰুত্ব আৰোপ কৰা হৈছে। ঘোষণা পত্ৰখনত এই সন্দৰ্ভত ২০১৫ চনত সম্পাদিত লিবিয়াৰ ৰাজনৈতিক চুক্তি আৰু ৰাষ্ট্ৰসংঘৰ সুৰক্ষা পৰিষদৰ আনুসংগিক প্ৰস্তাৱৰ বিষয়ে উল্লেখ কৰা হৈছে। ভাৰত আৰু আৰব ৰাষ্ট্ৰসমূহে চুডানৰ সাৰ্বভৌমত্ব, একতা আৰু ভৌগোলিক অখণ্ডতাৰ প্ৰতিও সমৰ্থনৰ কথা উল্লেখ কৰে। দুয়োপক্ষই দেশখনৰ অভ্যন্তৰীণ বিষয়ত কোনো ধৰণৰ হস্তক্ষেপৰ সম্ভাৱনা নুই কৰে। দুয়োপক্ষই লগতে য়েমেনৰ সুৰক্ষা অথবা ভৌগোলিক অখণ্ডতা উলংঘন কৰাৰ উদ্দেশ্যে লোৱা যিকোনো ব্যৱস্থাক গৰিহনা দিয়ে। দুয়ো পক্ষই ভাৰত আৰু আৰব ৰাষ্ট্ৰসমূহৰ মাজৰ বৰ্ধিত ৰাজনৈতিক, সুৰক্ষা, অৰ্থনৈতিক, উন্নয়নমূলক আৰু জনসাধাৰণৰ মাজৰ সম্পৰ্কৰ প্ৰতি আদৰণি জনায়।

০০০০

দেশৰ বিভিন্ন অংশত আজি সন্ত ৰবি দাসৰ জন্ম বাৰ্ষিকী- ৰবি দাস জয়ন্তী পালন কৰা হৈছে। ৰবি দাস চতুৰ্দশ শতিকাৰ এগৰাকী মহান সন্ত আৰু উত্তৰ ভাৰতত ভক্তি আন্দোলনৰ প্ৰতিষ্ঠাতা আছিল। হিন্দু কেলেণ্ডাৰ অনুসৰি মাঘ মাহৰ পূৰ্ণিমাৰ দিনা ৰবি দাস জয়ন্তী পালন কৰা হয়।

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে গুৰু ৰবি দাসৰ জন্ম বাৰ্ষিকী উপলক্ষে জনসাধাৰণক ওলগ জনাইছে। ৰাষ্ট্ৰপতিগৰাকীয়ে এটা বাৰ্তা যোগে কয়, যে গুৰু ৰবি দাস এগৰাকী মহান সন্ত আৰু সমাজ সংস্কৰক আছিল। ৰবি দাসে তেওঁৰ শিকনিৰ মাজেৰে সমতা, সামাজিক ন্যায় আৰু মৰম-ভালপোৱাৰ বাৰ্তা বিয়পাইছিল বুলি শ্ৰীমতী মুৰ্মুৱে উল্লেখ কৰে। তেওঁ কয়, যে ৰবি দাসৰ চিন্তাৰাজি সদায় প্ৰাসংগিক হৈ থাকিব আৰু জনসাধাৰণক মানৱীয় প্ৰমুল্যৰাজি আকোৱালি ল'বলৈ অনুপ্ৰেৰণা যোগাই যাব। তেওঁ লগতে সকলোকে মহান সন্তগৰাকীৰ শিকনিৰাজি আকোৱালি ল'বলৈ আৰু ৰাষ্ট্ৰ গঠন প্ৰক্ৰিয়াত সক্ৰিয়ভাৱে অৱদান আগবঢ়াবলৈ আহ্বান জনায়।

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আজি সন্ত গুৰু ৰবিদাসৰ  ৬৪৯ সমখ্যক জন্ম বাৰ্ষিকী উপলক্ষে পঞ্জাৱলৈ যাব। ভ্ৰমণকালত শ্ৰীমোদীয়ে আদমপুৰ বিমানবন্দৰক শ্ৰীগুৰু ৰবিদাস জী বিমানবন্দৰ হিচাপে নামকৰণ কৰিব। প্ৰধানমন্ত্ৰীৰ কাৰ্যলয়ে প্ৰকাশ কৰা মতে বছৰ বছৰ ধৰি নিজৰ শিকনিৰ জৰিয়তে দেশবাসীক অনুপ্ৰাণিত কৰি অহা মহান সাধু আৰু সমাজ সংস্কাৰকগৰাকীলৈ সন্মান জনোৱাৰ উদ্দেশ্যে আদমপুৰ বিমানবন্দৰটো তেওঁৰ নামেৰে নামকৰণ কৰা হৈছে। প্ৰধানমন্ত্ৰীয়ে লগতে লুধিয়ানাত হালৱাৰা বিমানবন্দৰৰ টাৰ্মিনেল ভৱন উদ্বোধন কৰিব। শ্ৰীমোদীয়ে লগতে জলন্ধৰ জিলাৰ ডেৰা ছচ্‌খণ্ড বালন পৰিদৰ্শন কৰিব আৰু গুৰু ৰবিদাসৰ সন্মানাৰ্থে আয়োজিত এটা ৰাজহুৱা অনুষ্ঠানত অংশগ্ৰহণ কৰিব।

০০০০

ভাৰতীয় উপকূলৰক্ষী বাহিনীয়ে আজি ইয়াৰ ৫০ সংখ্যক প্ৰতিষ্ঠা দিৱস উদযাপন কৰিছে। এই বাহিনীয়ে পাঁচ দশক জুৰি ৰাষ্ট্ৰৰ প্ৰতি নিষ্ঠা সহকাৰে নিঃস্বাৰ্থভাৱে সেৱা আগবঢ়াই আহিছে। ১৯৭৭ চনত

গঠন হোৱা এই বাহিনী বৰ্তমান ১৫৫ খন জাহাজ আৰু ৮০ খন বিমানেৰে গঠিত এটা শক্তিশালী সামুদ্ৰিক বাহিনীলৈ ৰূপান্তৰিত হৈছে।

০০০০

প্ৰধানমন্ত্ৰীৰ অভিলাসী মঞ্চ প্ৰগতি ৫০ সংখ্যক বৈঠকৰ সফল সামৰণিৰে উল্লেখনীয় মাইলৰ খুঁটি ৰূপে বিবেচিত হৈছে। প্ৰগতিৰ জৰিয়তে চৰকাৰৰ সক্ৰিয় শাসন আৰু কাৰ্যসূচীৰ সময় নিৰ্ধাৰিত ৰূপায়ণত গুৰুত্ব দিয়া হৈছে।

২০১৫ চনত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰগতি আঁচনি মুকলি কৰিছিল। ইয়াৰ জৰিয়তে আন্তঃগাঁথনিমূলক প্ৰকল্প আৰু জনসাধাৰণৰ অভাৱ-অভিযোগসমূহ প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়ৰ পোনপটীয়া পৰ্যালোচনাৰ পাছত নিৰ্ধাৰিত সময়ৰ ভিতৰত তাৰ ৰূপায়ণত গুৰুত্ব আৰোপ কৰা হৈছে। এই মঞ্চৰ জৰিয়তে সমবায় ভিত্তিক সহযোগিতা, কেন্দ্ৰ, ৰাজ্য আৰু কেন্দ্ৰীয় মন্ত্ৰালয়সমূহক ডিজিটেল একত্ৰিকৰণৰ সম্ভৱ হৈছে।

বিগত এটা দশকত প্ৰগতিয়ে সিদ্ধান্ত গ্ৰহণ প্ৰক্ৰিয়া ত্বৰান্বিত কৰা, আন্তঃগাঁথনিমূলক প্ৰকল্প ৰূপায়ণত হোৱা বিলম্বৰ কাৰণ চিহ্নিত কৰা আৰু ইয়াৰ উপযুক্ত কাৰণ দৰ্শোৱাৰ এটা সংস্কৃতি গঢ়ি তুলিছে। এই বিশেষ শৃংখলাত আমাৰ সংবাদদাতাই ৰে'ল মন্ত্ৰ্যালয়ৰ সৈতে জড়িত প্ৰকল্পসমূহত আলোকপাত কৰিছে।

দেশৰ অৰ্থনৈতিক আৰু সামাজিক আন্তঃগাঁথনি নিৰ্মাণত ভাৰতীয় ৰে'লৱে শক্তিশালী স্তম্ভ হৈ থিয় দি আহিছে। ই যাত্ৰী আৰু মাল পৰিবহণৰ ক্ষেত্ৰতো বিশেষ ভূমিকা গ্ৰহণ কৰিছে। বিশ্বৰ সৰ্ববৃহৎ ৰে'ল ব্যৱস্থা হিচাপে ভাৰতীয় ৰে'লৱেই ৰাষ্ট্ৰীয় সংহতি, ল'জিষ্টিক দক্ষতা আৰু আঞ্চলিক সংযোগৰ ক্ষেত্ৰত বিশেষ ভূমিকা আগবঢ়াই আহিছে। ১২ লাখ কোটি টকা ব্যয় সাপেক্ষ মুঠ ৩৮৭ টা ৰে'ল প্ৰকল্প বৰ্তমান প্ৰকল্প নিৰীক্ষণ গোটৰ প'ৰ্টেলত দেখা গৈছে। ইয়াৰে ৯৭ টা উচ্চ মূল্য নিৰ্ধাৰিত প্ৰকল্প প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰগতি ব্যৱস্থাৰ জৰিয়তে পৰ্যালোচনা কৰিছে। এই প্ৰকল্পসমূহৰ ভিতৰত দ্ৰুতগামী ৰে'ল ক'ৰিড'ৰ, ফ্ৰেইট ক'ৰিড'ৰ, দুৰ্গম ভূ-খণ্ডত নতুন ৰে'ল লাইন প্ৰকল্প স্থাপন আৰু বৃহৎ ষ্টেচনসমূহৰ পুনৰ উন্নয়নত বিশেষ পদক্ষেপ লোৱা হৈছে।

০০০০

ৰাজ্যসভাৰ সাংসদ সুনেত্ৰা পাৱাৰে কালি মহাৰাষ্ট্ৰৰ উপ-মুখ্যমন্ত্ৰী হিচাপে শপতগ্ৰহণ কৰে। ৬২ বছৰীয়া সুনেত্ৰা পাৱাৰ মহাৰাষ্ট্ৰৰ প্ৰথম মহিলা উপ-মুখ্যমন্ত্ৰী। চলিত সপ্তাহৰ আৰম্ভণিতে সংঘটিত এটা বিমান দুৰ্ঘটনাত তেওঁৰ স্বামী তথা মহাৰাষ্ট্ৰৰ উপ-মুখ্যমন্ত্ৰী অজিত পাৱাৰৰ দেহাৱসান হৈছিল। ইয়াৰ পূৰ্বে সুনেত্ৰা পাৱাৰক  সৰ্বসন্মতিক্ৰমে এন চি পি বিধায়িনী দলৰ নেতা নিৰ্বাচন কৰা হয়।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সুনেত্ৰা পাৱাৰক মহাৰাষ্ট্ৰৰ প্ৰথম মহিলা উপ-মুখ্যমন্ত্ৰী হোৱাৰ বাবে অভিনন্দন জনায়। সামাজিক মাধ্যমত শ্ৰী মোদীয়ে আত্মবিশ্বাস প্ৰকাশ কৰি কয়, য়ে শ্ৰীমতী পাৱাৰে ৰাজ্যবাসীৰ কল্যাণৰ বাবে অক্লান্তভাৱে কাম কৰিব আৰু অজিত পাৱাৰৰ দৃষ্টিভংগী পূৰ্ণ কৰিব।

০০০০

ভাৰতে যোৱা নিশা পাঁচখনীয়া টি-২০ ক্ৰিকেট শৃংখলাৰ অন্তিমখন খেলত নিউজিলেণ্ডক ৪৬ ৰানত পৰাস্ত কৰি ৪-১ ফলাফলেৰে শৃংখলা হস্তগত কৰে। কেৰালাৰ তিৰুৱনন্তপুৰমৰ গ্ৰীণ ফিল্ড আন্তঃৰাষ্ট্ৰীয় ষ্টেডিয়ামত অনুষ্ঠিত এই খেলখনত ভাৰতে নিৰ্ধাৰিত ২০ অভাৰত পাঁচ উইকেটৰ বিনিময়ত ২৭১ ৰান সংগ্ৰহ কৰে। ঈষান কিষানে ১০৩ ৰান কৰাৰ লগতে সূৰ্য কুমাৰ যাদৱে ৬৩ ৰান কৰে। প্ৰত্যুত্তৰত নিউজিলেণ্ডে

১৯ অভাৰ ৪ টা বল খেলি আটাইকেইটা উইকেট হেৰুৱাই ২২৫ ৰানহে সংগ্ৰহ কৰে। নিউজিলেণ্ডৰ হৈ ফিন এলেনে ৩৮ টা বলত ৮০ ৰান সংগ্ৰহ কৰিবলৈ সমৰ্থ হয়। ঈষান কিষানক প্লেয়াৰ অব দ্যা মেচ আৰু সূৰ্য কুমাৰ যাদৱক প্লেয়াৰ অব দ্যা ছিৰিজ ঘোষণা কৰা হয়।

oooo

বেংককৰ নিমিবুটৰ ষ্টেডিয়ামত আজি হ'বলগীয়া থাইলেণ্ড মাষ্টাৰ্চ বেডমিণ্টন প্ৰতিযোগিতাৰ মহিলাৰ একক ফাইনেলত ভাৰতীয় শ্বাটলাৰ দেৱীকা ছিহাগে মালয়েছিয়াৰ গহ জিন ৰেইৰ বিৰুদ্ধে খেলিব। ভাৰতীয় অনুসৰি খেলখন নিশা ১২ বাজি ১০ মিনিটত আৰম্ভ হ'ব।

ইয়াৰ পূৰ্বে কালি চেমিফাইনেলত বিশ্ব ৰেংকিঙত ৩৫ নম্বৰ খেলুৱৈ হুয়াং য়ু ছাঙক ২২-২০, ২১-১৩ গেমত পৰাস্ত কৰি দেৱীকাই প্ৰথমবাৰৰ বাবে বি ডব্লিউ এফ ছুপাৰ থ্ৰি হাণ্ড্ৰেট ফাইনেলত প্ৰৱেশ কৰে। যোৱা বছৰ মালয়েছিয়া ইণ্টাৰনেচনেলত দেৱীকাই প্ৰথমবাৰৰ বাবে বি ডব্লিউ এফ ইণ্টাৰনেচনেল চেলেঞ্জ খিতাপ দখল কৰিছিল।

oooo

ঃঃ সমাপ্ত ঃঃ